# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-03-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। কেন্দ্ৰীয় উদ্যোগ মন্ত্ৰী পিয়ুছ গোৱেলে নতুন অৱধাৰণা আৰু উদ্ভাৱন গ্ৰহণ কৰি সমাজ আৰু দেশৰ আৱশ্যকতা পূৰণত অগ্ৰাধিকাৰ দিবলৈ ষ্টাৰ্ট আপ প্ৰতিষ্ঠানসমূহৰ প্ৰতি আহ্বান জনাইছে।

২। বৰ্তমানলৈকে উৎপাদন আধাৰিত উদগণি আঁচনিসমূহৰ অধীনত ১৪টা গুৰুত্বপূৰ্ণ ক্ষেত্ৰৰ বাবে ৭৬৪ খন আবেদনৰ অনুমোদন জনোৱা হৈছে বুলি বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

৩। ন্যায়াধীশ বি আৰ গৱাইৰ নেতৃত্বত উচ্চতম ন্যায়ালয়ৰ এটা ৫ জনীয়া প্ৰতিনিধি দল আজি পুৱা মণিপুৰৰ ৰাজধানী ইম্ফলত উপস্থিত হয়।

৪। ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন বিগত দহ বছৰত ১০৫ শতাংশ বিকাশ হাৰেৰে দুগুণলৈ বৃদ্ধি পাইছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ অষ্টাদশ সংস্কৰণ কিছুসময় পূৰ্বে আকৰ্ষণীয় উদ্বোধনী অনুষ্ঠানেৰে আৰম্ভ হৈছে।

০০০০০

কেন্দ্ৰীয় উদ্যোগ মন্ত্ৰী পিয়ুছ গোৱেলে নতুন অৱধাৰণা আৰু উদ্ভাৱন গ্ৰহণ কৰি সমাজ আৰু দেশৰ আৱশ্যকতা পূৰণত অগ্ৰাধিকাৰ দিবলৈ ষ্টাৰ্ট আপ প্ৰতিষ্ঠানসমূহৰ প্ৰতি আহ্বান জনাইছে। আহমেদাবাদত আজি ৰেজলপুৰ ষ্টাৰ্টআপ মহোৎসৱৰ দ্বিতীয় সংস্কৰণ মুকলি কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ পৰিকল্পনাক বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত ষ্টাৰ্টআপ প্ৰতিষ্ঠানসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। তেওঁ লগতে দেশৰ ষ্টাৰ্টআপ প্ৰতিষ্ঠানসমূহলৈ সহায় সমৰ্থন আগবঢ়োৱাৰ উদ্দেশ্যে মোদী চৰকাৰে গ্ৰহণ কৰা ফাণ্ড অৱ ফাণ্ডছৰ লেখিয়া উদ্যমসমূহৰ বিষয়ে আলোকপাত কৰে। ৰেজলপুৰ ষ্টাৰ্টআপ মহোৎসৱৰ প্ৰশংসা কৰি মন্ত্ৰীগৰাকীয়ে কয় যে এনেধৰণৰ কাৰ্যসূচীয়ে ৰাষ্ট্ৰৰ বাবে নিদৰ্শন দাঙি ধৰে আৰু দেশত ষ্টাৰ্ট আপ অনুকুল ব্যৱস্থা সুদৃঢ় কৰাৰ বাবে বিভিন্ন প্ৰান্তত এনে ধৰণৰ মহোৎসৱ আয়োজন কৰাৰ আৱশ্যকতা আছে।

০০০০০

বৰ্তমানলৈকে উৎপাদন আধাৰিত উদগণি আঁচনিসমূহৰ অধীনত ১৪টা গুৰুত্বপূৰ্ণ ক্ষেত্ৰৰ বাবে ৭৬৪ খন আবেদনৰ অনুমোদন জনোৱা হৈছে বুলি বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। উৎপাদন আধাৰিত উদগণি আঁচনিৰ হিতাধিকাৰীসকলৰ মাজত ঔষধ, চিকিৎসা আহিলা পাতি, ভেষজ, দূৰ সংযোগ, খাদ্য প্ৰসংস্কৰণ, বস্ত্ৰ, ঘৰুৱা কামত ব্যৱহৃত বৃহৎ বৈদ্যুতিক সৰঞ্জাম আৰু ড্ৰোন খণ্ডৰ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ আছে। যোৱা বছৰ নৱেম্বৰ পৰ্যন্ত এই উদ্যোগসমূহত প্ৰায় ১ লাখ ৬১ হাজাৰ কোটি টকাৰ প্ৰকৃত বিনিয়োগ হৈছে। ইয়াৰ জৰিয়তে ২০২৪-২৫ বিত্তীয় বৰ্ষলৈকে নিৰ্ধাৰিত ১৫ লাখ ৫২ হাজাৰ কোটি টকাৰ বিপৰীতে প্ৰায় ১৪ লাখ কোটি টকা

মূল্যৰ সামগ্ৰীৰ উৎপাদন আৰু বিক্ৰী হৈছে। ইয়াৰ ফলত এঘাৰ লাখ ৫০ হাজাৰ প্ৰত্যক্ষ আৰু পৰোক্ষ কৰ্মসংস্থাপনৰ সৃষ্টি হৈছে।

০০০০০

ন্যায়াধীশ বি আৰ গৱাইৰ নেতৃত্বত উচ্চতম ন্যায়ালয়ৰ এটা ৫ জনীয়া প্ৰতিনিধি দল আজি পুৱা মণিপুৰৰ ৰাজধানী ইম্ফলত উপস্থিত হয়। প্ৰতিনিধি দলটোৰ ৩ গৰাকী বিচাৰপতি - ন্যায়াধীশ গৱাই, ন্যায়াধীশ বিক্ৰম নাথ আৰু ন্যায়াধীশ এম এম সুন্দ্ৰেছে চূড়াচান্দপুৰলৈ গৈ জিলাখনত আইন সেৱা শিবিৰ, স্বাস্থ্য শিবিৰ আৰু আইনী সাহায্য শিবিৰৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰে। তেওঁলোকে লগতে ৰাজ্যখনৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত নিজৰ বাসগৃহ এৰি আহি শৰনাৰ্থী শিবিৰত আশ্ৰয় লৈ থকা লোকসকলৰ মাজত সাহায্য সামগ্ৰী বিতৰণ কৰে। উচ্চতম ন্যায়ালয়ৰ বিচাৰপতিসকলৰ দলটোৱে বিভিন্ন চৰকাৰী আঁচনিৰ বাবে উপযুক্ত হিতাধিকাৰীৰূপে বিবেচিত শৰনাৰ্থী শিবিৰৰ কিছুসংখ্যক লোকক আঁচনিভুক্ত কৰাৰ প্ৰক্ৰিয়াতো অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ অন্তত ইম্ফললৈ ওভতাৰ বাটত তেওঁলোকে বিষ্ণুপুৰ জিলাৰ কেইবাটাও শৰনাৰ্থী শিবিৰ পৰিদৰ্শন কৰে। দলটোৱে কাইলৈ ইম্ফ লৰ মণিপুৰ উচ্চ ন্যায়ালয়ত হ'বলগীয়া এটা বিশেষ অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

০০০০০

মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নবীছে নাগপুৰত সংঘটিত হিংসাত্মক ঘটনাৰ সময়ত ক্ষতি হোৱা সম্পত্তিৰ মূল্য, সংঘৰ্যত লিপ্ত লোকৰ পৰা আদায় কৰা হব বুলি ঘোষণা কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে ধন আদায় নিদিয়া লোকসকলৰ সম্পত্তি জব্দ কৰি বিক্ৰী কৰা হব বুলি সকিয়াই দিছে। মুখ্যমন্ত্ৰী ফাড়নবীছে  নাগপুৰৰ হিংসা সন্দৰ্ভত জ্যেষ্ঠ আৰক্ষী বিষয়াসকলৰ সৈতে অনুষ্ঠিত পৰ্যালোচনা বৈঠকৰ অন্তত আজি নাগপুৰত এখন সংবাদ মেলত এই কথা প্ৰকাশ কৰে। ক্ষতিপূৰণ ৩ - ৪ দিনত আদায় দিয়া হব বুলি তেওঁ জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰে নাগপুৰৰ কেতবোৰ বলবৎ হৈ থকা সান্ধ্য আইন শিথিল কৰাৰ বাবে চেষ্টা চলাই আছে। ধৰ্মীয় প্ৰতীক জ্বলোৱা বুলি  উঠা অভিযোগক লৈ সোমবাৰে নিশা নাগপুৰত সূত্ৰপাত হোৱা এই হিংসাৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ঘটনাৰ সৈতে জড়িত ১০৪ জন লোকক চিনাক্ত কৰা হৈছে আৰু ইয়াৰে ভিতৰত ৯২ গৰাকী প্ৰাপ্তবয়স্ক আৰু ১২ গৰাকী নাবালিক আছে। এই লোকসকলৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে বুলি উল্লেখ কৰি শ্ৰীফাড়নবীছে কয় যে অবিযুক্তসকলক চিনাক্ত কৰণৰ প্ৰক্ৰিয়া অব্যাহত আছে।

গুড়ি পড়ৱাৰ দিনা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰস্তাৱিত নাগপুৰ ভ্ৰমণ পৰিপ্ৰেক্ষিতত শ্ৰীফাড়নবীছে প্ৰধানমন্ত্ৰীৰ ভ্ৰমণত কোনো বাধা নাহে বুলি স্পষ্ট কৰি দিয়ে। ইপিনে, নাগপুৰৰ হিংসাত্মক ঘটনাত আহত ৪০ বছৰীয়া ইৰফান আন্সাৰী নামৰ লোকজনৰ আজি চিকিৎসাৰ সময়ত দেহাৱসান ঘটে।

০০০০০

ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠান ইছৰোৰ অধ্যক্ষ ড° ভি নাৰায়ণনে কৈছে, যে প্ৰতিষ্ঠানটোৱে এগৰাকী ভাৰতীয়ক চন্দ্ৰলৈ প্ৰেৰণ কৰি সুকলমে পৃথিৱীলৈ ওভতাই অনাৰ এটা বিশেষ অভিযানৰ প্ৰস্তুতি চলাই আছে। তেওঁ লগতে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই অভিযানৰ প্ৰস্তুতি চলোৱাৰ বাবে ইতিমধ্যে নীতি নিৰ্দেশনা প্ৰদান কৰিছে আৰু ইছৰোৱে ২০৪০ চনৰ ভিতৰত এই কাৰ্য সম্পন্ন কৰিব। তেওঁ লগতে ২০৩৫ চনৰ ভিতৰত দেশ নিজাববীয়া মহাকাশ কেন্দ্ৰৰ অধিকাৰী হ'ব বুলিও প্ৰকাশ কৰে। কালি জলন্ধৰৰ এখন ব্যক্তিগত বিশ্ববিদ্যালয়ৰ অষ্টম ছাত্ৰ সংসদত অংশগ্ৰহণ কৰি ড০ নাৰায়ণনে সুদীৰ্ঘ ৯ মাহ মহাকাশত কটাই কিছুদিন পূৰ্বে সুকলমে পৃথিৱীলৈ ঘুৰি

অহা নাছা মহাকাশচাৰী সুনিতা উইলিয়ামছ আৰু বুশ্ব ৱিলম’ৰৰ প্ৰসংগতো নিজৰ মনোভাৱ ব্যক্ত কৰে। তেনে ধৰণৰ প্ৰত্যাহ্বানপূৰ্ণ আৰু সফল অভিযানসমূহৰ পৰা আমি আমাৰ দেশৰ অভিযানসমূহৰ বাবে শিক্ষা গ্ৰহণ কৰিব পাৰো বুলিও তেওঁ লগতে মন্তব্য কৰে।

০০০০০

ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন বিগত দহ বছৰত ১০৫ শতাংশ বিকাশ হাৰেৰে দুগুণলৈ বৃদ্ধি পাইছে। ২০১৫ চনত ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন ২ লাখ ১০ হাজাৰ কোটি ডলাৰ আছিল আৰু ২০২৫ চনত এই পৰিমাণ ৪ লাখ ৩০ হাজাৰ ডলাৰ বৃদ্ধি পাইছে। আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি আই এন এফৰ তথ্যত এইকথা প্ৰকাশ পাইছে। আই এন এফে প্ৰকাশ কৰা মতে, মুঠ ঘৰুৱা উৎপাদন দিশৰ পৰা ভাৰত আমেৰিকা যুক্তৰাষ্ট্ৰ, চীন, জাৰ্মানী আৰু জাপানৰ পাছত বিশ্বৰ পঞ্চম সৰ্ববৃহৎ ৰাষ্ট্ৰৰূপে পৰিগণিত হৈছে। ভাৰতে শীঘ্ৰে জাপানক চেৰ পেলাব বুলি সংস্থাটোৱে উল্লেখ কৰিছে।

০০০০০

সামগ্ৰী আৰু সেৱা কৰ চোৰাংচোৱা সঞ্চালকালয়ে অবৈধ অথবা অনলাইন গেমিঙৰ নীতি নিয়ম পালন নকৰা ৩৫৭ টা ৱেবছাইট  বন্ধ কৰিছে। সঞ্চালকালয়ে বিদেশৰ পৰা পৰিচালিত অনলাইন গেমিং প্ৰতিষ্ঠানসমূহৰ বিৰুদ্ধে ব্যৱস্থা তীব্ৰতৰ কৰি তুলিছে। অনলাইন মানি গেমিং উদ্যোগৰ সৈতে ঘৰুৱা আৰু বিদেশী কোম্পানী জড়িত হৈ আছে। সামগ্ৰী আৰু সেৱা কৰ চোৰাংচোৱা সঞ্চালকালয়ে বাজি ধৰা আৰু জুৱাৰ সৈতে জড়িত প্ৰায় ৭০০ বিদেশী কোম্পানীৰ ওপৰত নজৰ ৰাখি আছে।

বিত্ত মন্ত্ৰালয়ে এটা বিবৃতিযোগে কৈছে যে, এই কোম্পানীকেইটা জি এছ টি সম্পৰ্কীয় পঞ্জীয়ন, কৰ আদায় আৰু কৰ বিষয়ক নিয়ম পালন কৰাত ব্যৰ্থ হৈছে।

সামগ্ৰী আৰু সেৱা কৰ চোৰাংচোৱা সঞ্চালকালয়ে শেহতীয়াকৈ অভিযান চলাই গেমিঙত অংশগ্ৰহণ কৰা সকলৰ পৰা ধন লোৱাৰ বাবে ব্যৱহাৰ কৰা বেংক একাউণ্টসমূহ বন্ধ কৰি দিছে। প্ৰাপ্ত তথ্য অনুসৰি প্ৰায় ২ হেজাৰ বেংক একাউণ্ট বন্ধ কৰি দিয়া হৈছে আৰু ৪ কোটি টকা জব্দ কৰা হৈছে। অন্য ব্যৱস্থাৰ অংশ হিচাপে ইউ পি আইৰ সৈতে জড়িত ৩৯২ টা বেংক একাউণ্ট অকামিলা কৰি ৰখা হৈছে। ইয়াৰে একাংশ একাউণ্ট বিদেশী কোম্পানীৰ সৈতে জড়িত। এই একাউণ্টসমূহৰ পৰা অস্থায়ীভাৱে ১২২ কোটি ৫ লাখ টকা জব্দ কৰা হৈছে। সামগ্ৰী আৰু সেৱা কৰ চোৰাংচোৱা সঞ্চালকালয়ে  বৰ্তমানলৈকে গেমিং মঞ্চৰ সৈতে জড়িত ১৬৬ ম্যুল অৰ্থাৎ অবৈধ  পুঁজি বৈধকৰণৰ বাবে ব্যৱহৃত একাউণ্ট বন্ধ কৰিছে। এই আটাইকেইটা একাউণ্ট বিদেশৰ। এই ঘটনা সংক্ৰান্তত ৩ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে আৰু তদন্ত অব্যাহত আছে। চৰকাৰে জনসাধাৰণক সতৰ্ক হৈ থাকিবলৈ আৰু বিদেশী অনলাইন গেমিং পোৰ্টেলৰ সৈতে কোনো প্ৰকাৰে জড়িত নহবলৈ পৰামৰ্শ আগবঢ়াইছে।

০০০০০

দক্ষিণ-পশ্চিম নাইজাৰৰ এটা মছজিদত  সংঘটিত আক্ৰমনত কমেও ৪৪ জন অসামৰিক লোকে প্ৰাণ হেৰুৱায় আৰু অন্য ১৩ জন আহত হৈছে। দেশখনৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, ফমবিতা গাঁৱত শুকুৰবৰীয়া নামাজৰ সময়ত হোৱা আক্ৰমনত এই লোককেইজন নিহত হয়। মন্ত্ৰালয়ে আইএছৰ সৈতে জড়িত এটা সন্ত্ৰাসবাদী সংগঠনক এই আক্ৰমণৰ বাবে জগৰীয়া কৰিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ অষ্টাদশ সংস্কৰণ আজি কলকাতাৰ ইডেন গাৰ্ডেনছ্ ষ্টেডিয়ামত আকৰ্ষণীয় উদ্বোধনী অনুষ্ঠানেৰে আৰম্ভ হয়। বলিউদৰ অভিনেত্ৰী দিশা পটানি, বিশিষ্ট গায়িকা শ্ৰেয়া ঘোষাল আৰু পাঞ্জাৱী গায়ক কৰন অ'জলাই  নিজৰ অনুষ্ঠানেৰে দৰ্শকসকলক আপ্লুত কৰে। কিছুসময়ৰ পাছত ইডেন গাৰ্দেনছ্ত হ'বলগীয়া এইবাৰৰ প্ৰথমখন খেলত যোৱাবাৰৰ বিজয়ী কলকাতা নাইট ৰাইডাৰ্ছ - ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এইবাৰৰ প্ৰতিযোগিতাত ১০টা দলৰ মাজত ৭৪ খন খেল খেলোৱা হ'ব। প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন ২৫ মে'ত অনুষ্ঠিত হ'ব।

০০০০০

ভাৰতৰ ত্ৰিষা জলী আৰু গায়ত্ৰী গোপীচান্দ ছুইজাৰলেণ্ডৰ বাছেলত অনুষ্ঠিত ছুইছ্ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ডাবলছৰ ছেমি ফাইনেলত-চীনৰ চেং শু লিউ আৰু টেন নিঙৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। আমালৈ বাতৰি অহাৰ পৰলৈকে ভাৰতীয় যুটীটোৱে  ২১-১৫ পইণ্টত প্ৰথমটো গেম হস্তগত কৰিছে।

০০০০০

**ঃঃ সমাপ্ত ঃঃ**